MRINAL JYOTI GOSWAMI · WITH NAMRATA SARMA

Eréndira's Metamorphosis

এৰেণ্ডিৰাচ মেটামৰ্ফচিচ

POWER GAME · ABUSE OF POWER



A play in English

WITH THE ASSAMESE TRANSLATION

Eréndira’s Metamorphosis

এৰেণ্ডিৰাচ মেটামৰ্ফচিচ

মুখা পিন্ধা কথক আৰু পুতলা।

The Narrator, masked, with the Puppet.

PHOTOGRAPH · AANK_A CREATIVE LINE

AANK_A CREATIVE LINE · 2026

Eréndira's Metamorphosis

Mrinal Jyoti Goswami
with Namrata Sarma

এৰেণ্ডিৰাচ মেটামৰ্ফচিচ

মৃণাল জ্যোতি গোস্বামী · নম্ৰতা শৰ্মা

অসমীয়া অনুবাদ: মৃণাল জ্যোতি গোস্বামী

AANK_A CREATIVE LINE
Guwahati, Assam

Eréndira’s Metamorphosis
A play by Mrinal Jyoti Goswami with Namrata Sarma
With the Assamese translation by Mrinal Jyoti Goswami

এৰেণ্ডিৰাচ মেটামৰ্ফচিচ
মৃণাল জ্যোতি গোস্বামীৰ নাটক, সহ-লেখিকা নম্ৰতা শৰ্মা
অসমীয়া অনুবাদ: মৃণাল জ্যোতি গোস্বামী

English text © Mrinal Jyoti Goswami and Namrata Sarma, 2022, 2026
Assamese translation © Mrinal Jyoti Goswami, 2026
Photographs, posters and design © AANK_A Creative Line

First published as an e-book in October 2026 by
AANK_A Creative Line, Reg. No. RS/KAM(M)/263/S/143 of 2018–2019
Nice N Novel Landmark, House No. 26, Flat No. 301, Phaguna Rabha High School Path, Jatia, Guwahati 781 006, Assam, India
www.aank.org · info@aank.org

ISBN 978-81-980486-7-7 (e-book)

All rights reserved. No part of this book may be reproduced, stored or transmitted in any form without the written permission of the publisher. Performing rights: applications for any performance of this play, in English or in Assamese, must be made to the publisher before rehearsals begin.

Set in Literata, Anek Latin and Anek Bangla, with Banikanta for the Assamese text.

“The action of the artists is designed … to strive for a self-transformation.”

HANS-THIES LEHMANN · POSTDRAMATIC THEATRE

CONTENTS

Contents
সূচী

BEFORE THE PLAY

About this book	গ্ৰন্থখনৰ বিষয়ে	8
From the director	পৰিচালকৰ কথা	10
From the performer	অভিনেত্ৰীৰ কথা	12
About the play	নাটকখনৰ বিষয়ে	13

THE PLAY

The English text	ইংৰাজী মূল পাঠ	15
The Assamese translation	অসমীয়া অনুবাদ	33

THE PRODUCTION

Photographs	আলোকচিত্ৰ	51
On tour	উৎসৱৰ মঞ্চত	54
The stage	মঞ্চ	57
Light design	পোহৰ পৰিকল্পনা	58
Properties and publicity	মঞ্চ-সামগ্ৰী আৰু প্ৰচাৰ	60
Festival posters	উৎসৱৰ পোষ্টাৰ	62
Performance history	মঞ্চায়নৰ খতিয়ান	64
In the press	সংবাদ মাধ্যমত	65
The company	কলা-কুশলী	67

AFTER THE PLAY

About the authors	লেখকৰ পৰিচয়	68
AANK_A Creative Line	প্ৰকাশক	70

BEFORE THE PLAY

About this book

Eréndira's Metamorphosis is a play for a single narrator. Mrinal Jyoti Goswami wrote it in English with Namrata Sarma, and AANK_A Creative Line first staged it at Udara, Guwahati, in June 2022, with Namrata Sarma as the Narrator. The play is inspired by Gabriel García Márquez's novella *The Incredible and Sad Tale of Innocent Eréndira and Her Heartless Grandmother*, but it does not retell the story. Its Narrator carries the texts of storytellers from Homer to Shankardeva, slips in and out of Eréndira's life, and asks what power makes of a body and of a story.

Since its premiere the play has travelled to the 13th Under the Sal Tree festival at Rampur, the 9th Colombo International Theatre Festival in Sri Lanka, the first Bhullung-Bhuthur International Theatre Festival in Guwahati, and festivals at Majuli, Kherajkhat, Duliajan and Cooch Behar.

This book prints the English original first and then Mrinal Jyoti Goswami's own Assamese translation. Stage directions are set in italic.

In Sequence 5 the production uses Nilmani Phookan's poem 'Maithun Sangit', recorded by Indrajit Das, only as music. The poem is not part of the play's text and is not printed here.

Notes by the director and the performer, photographs from the premiere and from the festivals, the stage and light designs, posters, press cuttings and a record of the performances complete the book.

নাটকৰ পূৰ্বে

গ্ৰন্থখনৰ বিষয়ে

‘এৰেণ্ডিৰাচ মেটামৰ্ফচিচ’ এগৰাকী কথকৰ নাটক। মৃণাল জ্যোতি গোস্বামীয়ে নম্ৰতা শৰ্মাৰ সৈতে নাটকখন ইংৰাজীত লিখিছিল আৰু ২০২২ চনৰ জুন মাহত গুৱাহাটীৰ উদাৰাত আঁক_এ ক্ৰিয়েটিভ লাইনে প্ৰথমবাৰৰ বাবে মঞ্চস্থ কৰিছিল; কথকৰ ভূমিকাত আছিল নম্ৰতা শৰ্মা। গেব্ৰিয়েল গাৰ্চিয়া মাৰ্কেজৰ চুটি উপন্যাস ‘দ্য ইনক্ৰেডিবল এণ্ড চেড টেল অৱ ইন’চেণ্ট এৰেণ্ডিৰা এণ্ড হাৰ হাৰ্টলেছ গ্ৰেণ্ডমাদাৰ’ৰ পৰা প্ৰেৰণা লৈ ৰচিত হ’লেও নাটকখনে সেই কাহিনীটো পুনৰ কোৱা নাই। হোমাৰৰ পৰা শংকৰদেৱলৈকে যুগে যুগে কথকসকলে কৈ অহা টেক্সটবোৰ বুকুত লৈ ফুৰা কথকগৰাকী বাৰে বাৰে এৰেণ্ডিৰাৰ জীৱনলৈ সোমাই যায়, পুনৰ ওলাই আহে, আৰু প্ৰশ্ন কৰে: ক্ষমতাই এটা শৰীৰক আৰু এটা কাহিনীক কি কৰি তোলে?

প্ৰথম মঞ্চায়নৰ পিছত নাটকখন ৰামপুৰৰ ত্ৰয়োদশ ‘আণ্ডাৰ দ্য চাল ট্ৰী’ উৎসৱ, শ্ৰীলংকাৰ নৰম কলম্বো আন্তঃৰাষ্ট্ৰীয় নাট্য মহোৎসৱ, গুৱাহাটীৰ প্ৰথম ভুলুং-বুথুৰ আন্তঃৰাষ্ট্ৰীয় নাট মহোৎসৱ আৰু মাজুলী, খেৰাজখাট, দুলীয়াজান আৰু কোচবিহাৰৰ নাট্য উৎসৱত মঞ্চস্থ হৈছে।

এই গ্ৰন্থত প্ৰথমে ইংৰাজী মূল পাঠ আৰু তাৰ পিছত মৃণাল জ্যোতি গোস্বামীৰ নিজৰ অসমীয়া অনুবাদ দিয়া হৈছে। মঞ্চ-নিৰ্দেশনাসমূহ হেলনীয়া আখৰত দিয়া হৈছে।

পঞ্চম দৃশ্যত নীলমণি ফুকনৰ ‘মৈথুন সংগীত’ কবিতাটো কেৱল সংগীত হিচাপে ব্যৱহাৰ কৰা হৈছে; ইন্দ্ৰজিৎ দাসে কবিতাটো ৰেকৰ্ড কৰিছিল। কবিতাটো নাটকৰ পাঠৰ অংশ নহয়, সেয়ে ইয়াত ছপা কৰা হোৱা নাই।

পৰিচালক আৰু অভিনেত্ৰীৰ কথা, প্ৰথম মঞ্চায়ন আৰু বিভিন্ন উৎসৱৰ আলোকচিত্ৰ, মঞ্চ আৰু পোহৰৰ পৰিকল্পনা, পোষ্টাৰ, বাতৰি-কাকতৰ কৰ্তন আৰু মঞ্চায়নৰ খতিয়ানেৰে গ্ৰন্থখন সম্পূৰ্ণ কৰা হৈছে।

BEFORE THE PLAY

From the director

We cannot tell what life wants, whom, where and how… Life and myth are related; we cannot figure that out either. The world today makes us think anew: are we slaves of time? Life and fantasy, fantasy and life are the same, and that is how Márquez may have sought a new path.

The narrator of this play is a versatile meta-narrator, changing her stance from time to time, deliberately. That is what the performance is all about.

In 2005 I read Gabriel García Márquez's novella *The Incredible and Sad Tale of Innocent Eréndira and Her Heartless Grandmother*, and I have been playing with ideas from it ever since. Around 2014 I read *Postdramatic Theatre* by the German theatre scholar and director Hans-Thies Lehmann. In 2017 I met him at the Shanghai Theatre Academy and had the chance to discuss his book with him, and also "post-text theatre". That meeting and the book gave me a new line of thought.

From 2017 I began reading the critical analyses of the novella. Things started to stir in my mind, and the result is *Eréndira's Metamorphosis*.

Mrinal Jyoti Goswami

নাটকৰ পূৰ্বে

পৰিচালকৰ কথা

জীৱনে কি বিচাৰে, কাক বিচাৰে, ক'ত আৰু কেনেকৈ বিচাৰে, সেয়া আমি ক'ব নোৱাৰোঁ... জীৱন আৰু মিথ পৰস্পৰৰ সৈতে জড়িত; সেই সম্পৰ্কৰ গাঁঠিও আমি খুলিবও নোৱাৰোঁ। আজিৰ পৃথিৱীখনে আমাক নতুনকৈ ভাবিবলৈ বাধ্য কৰে: আমি সময়ৰ দাস নেকি? জীৱন আৰু কল্পনা, কল্পনা আৰু জীৱন একেই; হয়তো এইদৰেই মাৰ্কেজে এটা নতুন বাট বিচাৰিছিল।

এই নাটকৰ কথকগৰাকী এগৰাকী বহুৰূপী মেটা-কথক; সময়ে সময়ে তাই জানি-বুজিয়েই নিজৰ অৱস্থান সলনি কৰে। এই পৰিৱেশনাৰ মূল কথাও সেয়াই।

২০০৫ চনত মই গেব্ৰিয়েল গাৰ্চিয়া মাৰ্কেজৰ চুটি উপন্যাস 'দ্য ইনক্ৰেডিবল এণ্ড চেড টেল অৱ ইন'চেণ্ট এৰেণ্ডিৰা এণ্ড হাৰ হাৰ্টলেছ গ্ৰেণ্ডমাদাৰ' পঢ়িছিলোঁ; তেতিয়াৰে পৰা কিছুমান ভাবনাই মোৰ মনত দোল দি আছিল। ২০১৪ চনৰ ওচৰা-ওচৰিকৈ মই জাৰ্মান নাট্যতাত্ত্বিক আৰু পৰিচালক হান্স-টীছ লেমানৰ পোষ্টড্ৰামেটিক থিয়েটাৰ গ্ৰন্থখন পঢ়িছিলোঁ। ২০১৭ চনত চাংহাই থিয়েটাৰ একাডেমীত তেওঁৰ সৈতে সাক্ষাৎ হৈছিল, আৰু তাতেই গ্ৰন্থখনৰ বিষয়ে আৰু 'পোষ্ট-টেক্সট থিয়েটাৰ'ৰ বিষয়ে তেওঁৰ সৈতে আলোচনা কৰাৰ সুযোগ পাইছিলোঁ। সেই সাক্ষাৎ আৰু গ্ৰন্থখনে মোক এক নতুন চিন্তাৰ সূত্ৰ দিলে।

২০১৭ চনৰ পৰা মই উপন্যাসখনৰ সমালোচনামূলক বিশ্লেষণবোৰ পঢ়িবলৈ আৰম্ভ কৰিলোঁ। মনৰ মাজত কিছুমান কথাই আলোড়ন তুলিবলৈ ধৰিলে; তাৰেই ফল 'এৰেণ্ডিৰাচ মেটামৰ্ফচিচ'।

মৃণাল জ্যোতি গোস্বামী

BEFORE THE PLAY

From the performer

অভিনেত্ৰীৰ কথা

Lehmann's words at the start of this book hold true for me in all the performances I have done to date. Each character I have played has left a mark. The journey of *Eréndira's Metamorphosis* came as a welcome change, in the sense that the performer was made a part of each aspect of the performance: from ideation to script, to movement, to costume, to properties and, to some extent, even lighting. In a sense, the performer is very aware of what is happening, which is generally not…

Namrata Sarma

অসমীয়া

এই গ্ৰন্থৰ আৰম্ভণিতে উদ্ধৃত লেমানৰ কথাষাৰ মই আজিলৈকে কৰা প্ৰতিটো পৰিৱেশনাৰ ক্ষেত্ৰত মোৰ বাবে সত্য হৈ আহিছে। মই ৰূপায়ণ কৰা প্ৰতিটো চৰিত্ৰই মোৰ মনত একোটা চাপ ৰাখি গৈছে। 'এৰেণ্ডিৰাচ মেটামৰ্ফচিচ'ৰ যাত্ৰা মোৰ বাবে এক আদৰণীয় পৰিৱৰ্তন হৈ আহিছিল, কাৰণ ইয়াত অভিনেত্ৰীক পৰিৱেশনাৰ প্ৰতিটো দিশৰ অংশীদাৰ কৰি লোৱা হৈছিল: ভাবনাৰ পৰা পাণ্ডুলিপিলৈ, গতি-ভংগীলৈ, সাজ-পাৰলৈ, মঞ্চ-সামগ্ৰীলৈ, আনকি কিছু পৰিমাণে পোহৰলৈকে। এক অৰ্থত, কি ঘটি আছে সেই বিষয়ে অভিনেত্ৰীগৰাকী সম্পূৰ্ণ সজাগ, যিটো সাধাৰণতে নহয়...

নম্ৰতা শৰ্মা

ABOUT THE PLAY

About the play
নাটকখনৰ বিষয়ে

WRITTEN BY

Mrinal Jyoti Goswami with Namrata Sarma
মৃণাল জ্যোতি গোস্বামী, সহ-লেখিকা নম্ৰতা শৰ্মা

ASSAMESE TRANSLATION

Mrinal Jyoti Goswami
মৃণাল জ্যোতি গোস্বামী

INSPIRED BY

Gabriel García Márquez's novella *The Incredible and Sad Tale of Innocent Eréndira and Her Heartless Grandmother*
গেব্ৰিয়েল গাৰ্চিয়া মাৰ্কেজৰ চুটি উপন্যাস 'দ্য ইনক্ৰেডিবল এণ্ড চেড টেল অৱ ইন'চেণ্ট এৰেণ্ডিৰা এণ্ড হাৰ হাৰ্টলেছ গ্ৰেণ্ডমাদাৰ'

FIRST PERFORMANCE

26 and 27 June 2022, Udara, Naojan Path, Uzan Bazar, Guwahati
২০২২ চনৰ ২৬ আৰু ২৭ জুন, উদাৰা, নাওজান পথ, উজান বজাৰ, গুৱাহাটী

PRODUCTION

AANK_A Creative Line
আঁক_এ ক্ৰিয়েটিভ লাইন

CONCEPT, DESIGN AND DIRECTION

Mrinal Jyoti Goswami
মৃণাল জ্যোতি গোস্বামী

LANGUAGES

English and gibberish, with songs in Goalpariya and Bengali
ইংৰাজী আৰু জিবৰিচ; লগতে গোৱালপৰীয়া আৰু বাংলা গীত

DURATION

1 hour 15 minutes, without an interval; a shorter version of about an hour was played at festivals in 2023
১ ঘণ্টা ১৫ মিনিট, বিৰতি নোহোৱাকৈ; ২০২৩ চনৰ উৎসৱসমূহত প্ৰায় এক ঘণ্টাৰ চমু ৰূপ পৰিৱেশন কৰা হৈছিল

STYLE

Stylised; one performer, with a puppet, masks, a net and a ring of light
শৈলীবদ্ধ; এগৰাকী অভিনেত্ৰী, লগত পুতলা, মুখা, জাল আৰু পোহৰৰ বৃত্ত

THEMES

Power game · abuse of power
ক্ষমতাৰ খেল · ক্ষমতাৰ অপব্যৱহাৰ

THE STORY

SYNOPSIS

A Narrator rushes onto an empty stage after a silver ball. She is weary of the texts churning inside her, from Homer to Shankardeva; today it is Márquez's innocent Eréndira. The ball opens to reveal an eye: the heartless grandmother, who makes the girl a brand and sells her to an endless queue of men.

Through a tent, a net, a thieving puppet and folk songs, the Narrator slips in and out of Eréndira: the exhausted girl, the child who might have dreamt of Wonderland, the young woman who bends Ulysses to her will. Between Dalí, Coelho, sociology and fairy tales she asks whose reality is better, then rewrites the climax: Eréndira kills the grandmother herself and vanishes among lights and shadows.

সাৰাংশ

খালী মঞ্চত উফৰি অহা এটা ৰূপালী বলৰ পিছে পিছে এগৰাকী কথক নিজৰ গাড়ীখন লৈ লৰালৰিকৈ সোমাই আহে। হোমাৰৰ পৰা শংকৰদেৱলৈকে যুগ যুগ ধৰি কৈ অহা টেক্সটবোৰ তাইৰ ভিতৰত পাক খাই থাকে, তাইক শান্তিৰে থাকিবলৈ নিদিয়ে; আজিৰ কাহিনী মাৰ্কেজৰ নিৰীহ এৰেণ্ডিৰাৰ। বলটোৰ ৰূপালী আৱৰণ আঁতৰাওঁতে ওলাই পৰে এটা চকু: সেয়াই নিৰ্দয় আইতা; নাতিনীয়েকক এটা 'ব্ৰেণ্ড' কৰি তুলি তেওঁ শাৰী পাতি ৰৈ থকা পুৰুষবোৰৰ ওচৰত বিক্ৰী কৰি থাকে।

এটা তম্বু, এখন জাল, এটা চোৰ পুতলা আৰু লোকগীতৰ মাজেৰে কথকগৰাকী বাৰে বাৰে এৰেণ্ডিৰা হৈ পৰে: তম্বুৰ ভিতৰত ভাগৰি পৰা ছোৱালীজনী, হয়তো ৱাণ্ডাৰলেণ্ডৰ সপোন দেখা শিশুটি, ইউলিছিছক নিজৰ ইচ্ছামতে নচুওৱা গাভৰুগৰাকী। চিত্ৰকলা, উপন্যাস, সমাজবিজ্ঞান আৰু সাধুকথাৰ মাজেৰে তাই প্ৰশ্ন কৰে, কাৰ বাস্তৱতা অধিক সুন্দৰ। মাৰ্কেজৰ ক্লাইমেক্স সলনি কৰি তাই এৰেণ্ডিৰাৰ নিজৰ হাতেৰেই আইতাকক হত্যা কৰায়, আৰু শেষত এৰেণ্ডিৰা পোহৰ আৰু ছাঁৰ মাজত নোহোৱা হৈ যায়।

PART ONE

Eréndira's Metamorphosis

ইংৰাজী মূল পাঠ

The English text by Mrinal Jyoti Goswami with Namrata Sarma, first performed in 2022.



THE PLAY

Eréndira's Metamorphosis

by Mrinal Jyoti Goswami with Namrata Sarma

Eréndira's Metamorphosis was first performed by AANK_A Creative Line at Udara, Naojan Path, Uzan Bazar, Guwahati, on 26 June 2022.

ON STAGE
Namrata Sarma, Mrinal Jyoti Goswami

CONCEPT, DESIGN AND DIRECTION
Mrinal Jyoti Goswami

MUSIC DESIGN
Tarali Sarma

CHARACTERS

NARRATOR
a meta-narrator who at times becomes Eréndira

ERÉNDIRA
played by the Narrator

PUPPET
a thief, handled by the Narrator

VOICE
unseen

THE GRANDMOTHER
a silver sphere that hides an eye

ULYSSES
the last mask in a queue; later a net

1 SEQUENCE

Light fades in.

A silver spherical object bounces onto the empty stage from stage left. The Narrator comes (rushes) in with her cart. She stops her cart, turns back, waves and searches for the object.

NARRATOR Teeeeeeext… Text… Text… Text…

She finds it, is elated and starts playing with the object.

NARRATOR Text… text… text…

She goes round and places the object on the cart, and is about to leave when she turns back and waves. Action changes: she suddenly clutches the left side of her stomach.

NARRATOR Aah! …La

In pain she stumbles towards her cart, takes out a red cloth from a "lau-khola", gets down on her knees in pain and ties the red cloth round her waist. Action changes.

NARRATOR Ahaa… ha… ahaa… ha… haa… haa… hmmm… mm… Text…, text… text… Shhhhhh… tsk… tsk… tsk… (action) haha… Text oiiii…

She vomits and reads something in her vomit on the floor…

NARRATOR Eréndira! Text!…

She looks up, sees the audience and is embarrassed, but smiles.

NARRATOR Hello (weakly)

Action/movement change.

NARRATOR Text… text… text… text… text…

(starting at a whisper and gradually becoming louder; action)

Text… text… text… text… text…

(action, searching for something in her cart)

Text… text… text… text… text… text…

(action)

Come to mama…

Happy, she turns to the audience…

NARRATOR I am a Narrator… yes! No, no, no, no, no… am a many narrators… really! Tsk… I am a meta narrator…

(action)

…I am a many meta narrators… Yes! Many meta narrators. But I hate these texts.

(action)

I abhor them!

(action)

I have narrated as the caveman, as Homer, as Shakespeare, as Veda Vyasa, as Shankardeva, as the Pinshyuk performers, as the Hanashika, as James Joyce… James Joyce… Text… text… text… text… text… James Joyce… It has been 100 years since James Joyce published his *Ulysses* and T. S. Eliot published his *The Waste Land*. Two texts that changed the narrative style of world literature.

(action)

Ulysses! Eréndira's lover, her saviour.

(action)

Ulysses must have been astonished when, after many years of war, he comes back home and finds his wife's wooers standing in line in front of his home. Homer's Ulysses must have been so angry!… I am also angry…

(action)

I have been narrating as the swagman, as Akunta, as Beckett, as Márquez and so on and on and on… I am so tired…

(action)

Text… text… text… text… text…

(action/movement)

I want to burn these texts.

(pause, action)

…but how do I extinguish the fire in my body…

(action)

…huh… Text oiiiii…! I try to keep these texts locked inside me, but they churn and churn and churn and uwooook… Today it's Eréndira… *The Incredible and Sad Tale of Innocent Eréndira and Her Heartless Grandmother* by Gabriel García Márquez. Text… text… text… text… text… I am the best narrator because I am a very good listener… I am a very good listener because I have a great imagination… huh…

(action)

Now you too have a great imagination. So, tell me, what are you imagining… come, come… tell me your dreams. Or, you can imagine that you want to kill your grandmother.

She points to the silver spherical object on the cart and picks it up.

The loving old lady, who loves you and protects you.

She takes it in her right hand.

Killing her is unimaginable.

She removes the silver foil from the object, revealing an eye.

Eréndira too loved her grandmother too much…

Lying on the floor, she puts the eye on her raised feet.

…that is why she did everything her grandmother asked her to do. If her grandmother says, "Eréndira, get up." "Yes, Grandmother."

(action)

"Eréndira, get down." "Yes, Grandmother."

She raises the eye above her head and stands up.

"Eréndira, stand up!" "Yes, Grandmother."

She takes the eye in her right hand and goes right.

"Eréndira, go left!" "Yes, Grandmother."

She takes the eye in her left hand and goes left.

"Eréndira, go right!" "Yes, Grandmother."

She takes the eye under her left arm, goes towards the cart and stands behind it.

Left right left, left right left… kadam tham check 1, 2. Text… text… text… text… text… aah!

(activities)

The grandmother too seemed to love Eréndira too much.

(action)

Left right left, left right left, left right left… That is why she created this carnival-like atmosphere all around Eréndira.

(wears a mask)

Carnival! Text… text… text… text… text…

She rushes towards centre downstage and addresses the audience.

Do you know what a carnival is? A carnival is…

She clamps her mouth with her hand, then removes it and says…

…Read Bakhtin!… Text… text… text… text… text…

She looks at the eye on the cart and points to it.

There… there, look, the grandmother is siphoning money from the waltz musicians in her carnival.

She dances a waltz. Next she sees someone and poses for photographs.

There… she is accepting money from the photographer of her carnival…

She poses as a tired person, walks towards the eye and hands over something…

…she also manages to siphon money from her own slaves, and of course she accepts money from all these men who have come for Eréndira.

She gradually moves towards upstage right. The Narrator is startled by someone behind her and follows him out through the left wing.

NARRATOR Ohhh! Did you see him? Who is he? Who is he? He seemed like a thief! Ohhh! He is a thief! There, he is counting money. Let me follow him!

A puppet head appears beside the wing, peering at the audience. The Narrator, handling the puppet, also comes out and says:

NARRATOR Hey!

The Puppet is startled and moves to downstage left. The Narrator follows.

PUPPET Aaa…

NARRATOR What are you doing here?

The Puppet stretches taller than the Narrator, locks foreheads with her and looks down on her.

PUPPET Hmmmmmmm… (trying to be angry)

The Narrator rises taller than the Puppet and now looks down on him.

NARRATOR Hmmmm…! Are you stealing something?

The Puppet pulls himself away from the Narrator, avoids eye contact and looks at the audience.

PUPPET Um… um… um… um… Ulysses! The smuggler's son whose father grows oranges that have diamonds in them. But today I only found money… hooo hooo hoooo (cries)

NARRATOR Okay! Where is this Ulysses?

The Puppet points towards the last mask in the queue, towards upstage left.

PUPPET There, the last one in line.

The Narrator makes a movement towards Ulysses.

NARRATOR Shall I tell him about you?

With his hand, the Puppet bars the Narrator from going towards Ulysses.

PUPPET No!!!… Arre yaar… okay… shall I tell you something interesting about Eréndira?

NARRATOR Okay?!

PUPPET Um… um… um… um… It's all about marketing!

NARRATOR Marketing?! What about Eréndira?

PUPPET Oh! Um… um… umm… not bad… Ohho! I have to go, friend. It's late… okay… bye bye…

He moves out through the left wing, followed by the Narrator.

NARRATOR Hey!… where are you going?… …Come back… come back…

The Narrator comes onstage without the Puppet. She moves towards the right of the tent-like structure at the centre of the stage.

NARRATOR Marketing? Marketing! It's all about marketing!

The Narrator throws the mask she was wearing towards the cart, unties the red piece of cloth tied around her waist, sits facing the tent, lifts the hem of the tent and enters it.

2 SEQUENCE

The second sequence is about Eréndira's life inside the tent in her grandmother's carnival, where she entertains her customers. And while she does that, her grandmother, sitting right outside her tent, keeps sending her more and more customers. It so happens that Eréndira remains so busy that she doesn't even get time to get up from the bed. In the end, exhausted, she asks "How many more?" in gibberish.

This sequence shows Eréndira's struggle through various sitting and floor movements inside the white tent-like structure at centre stage.

3 SEQUENCE

At the beginning of the third sequence Eréndira is lying inside the tent, exhausted. But now she has changed into the Narrator. She starts humming Pratima Barua Pandey's Goalporiya Lokageet ("Dine dine khoshiya poribe rongila…"), emerges from her tent, stands up and ties the red piece of cloth round her waist. She starts singing:

NARRATOR Bandhichen ghor Micha

Micha dondho baaje gosainji kon ronge,
Dine dine khoshiya poribe rongila dalaner maati,
Gosainji kon ronge…

(activity)

Text… text… text… text… text… text… Text oiiiiii… This was not the only thing that Eréndira did for her grandmother.

(activity)

Before she burnt her grandmother's house down, she was her washerwoman, her cleaning woman, her cook, her gardener, her bath giver, her hairstylist, her pet caretaker, etc., etc., etc. She even used to

wind all the clocks in her grandmother's huge mansion, which took her 6 hours to do.

(activity change)

Most of the time she used to sleepwalk through her chores.

(change in narrator and her activity)

Text… Text… Text… Text… Text… Tick-tock, tick-tock, I too have a clock, tick-tock, tick-tock, I have a clock, tick-tock, tick-tock, I haaaaave aaaaa cloooock… see, a melting clock!

(activity)

Salvador… Dalí…

(change in activity and movement)

The Spanish artist and surrealist icon Salvador Dalí's most famous painting is perhaps the one with the melting clocks, also known as *The Persistence of Memory*. His ants represent death and decay, his elephants represent the future, his obelisk represents dominance and power, his eggs represent…

(change in narrator and activity)

1 minute, 2 minutes, 3 minutes (indistinctly, starts singing) ek, do, teen, char, paanch, cheh, saat, aath, nau, dus, gyarah… 11 minutes.

(change in narrator)

11 minutes… …Paulo Coelho… Brothers and sisters! Maria, on her first night as a pleasure-giver, learns from a senior co-worker that "the whole world revolves around something that takes only 11 minutes". It might be 45 minutes if you take the time in undressing, a little bit of phoney show of affection, some foreplay, some banal chatter and putting your clothes back on, and, in professional cases, the payment.

(change in narrator and activities)

Text… Text… Text… Text… Text… Dear Grandmother, what was the cost of your burnt-down mansion? Ha?… ha?… And how much time will Eréndira take to repay that debt? Ha… aaaa… And how many men did you allow into Eréndira's special tent…

(change in activities)

…the grandmother said that her mansion cost more than 800,000 pesos and Eréndira would take 8 years to repay that; however, that time kept on expanding… melting and expanding. She also said that Eréndira used to sleep with 20 to 30 men every night.

(change in narrator)

20 to 30 men!!! Sometimes sleeping with one man… and 20 to 30 men…!!! (pause) But this is fiction, my dears! What about reality?! Kathleen Barry, a sociologist from the United States of America, says in her book *Female Sexual Slavery* that in the North African quartiers of Paris there are a few small hotels called maisons d'abattage, and in these maisons d'abattage 12- to 13-year-old girls sleep with men to earn their livelihood. They have to sleep with 80 to 120 men on a normal day, and on holidays their quota goes up to 150 men! Now, each man gets 6 minutes' time with a girl. The first man comes in and does his work very fast; after 6 minutes a buzzer sounds… baaaant…

(change in activity)

…the first man comes out. Enter… the second man. The girl doesn't even get time to get up from the bed.

(starts humming the Goalporiya Lokageet she had sung earlier; change in narrator and her activity)

Another scholar, Eva Santos Phillipe, compares Eréndira to the common man, and the grandmother, people like Senator Sánchez and all these men who have come for Eréndira to the Government and the system of a country. You can have your own comparisons. Aren't we all being made love to by powers seen or unseen… ha… ha… ha… ha… ha…

(change in narrator and her activities)

Dear Grandmother, you had Eréndira wrapped around your little finger, didn't you? She did whatever you asked her to do. "Eréndira, stand up!" "Yes, Grandmother." "Eréndira, go back!" "Yes, Grandmother."…

(loud, with anger and resentment; change in movement and activity of the Narrator)

…But she could never show her resentment towards you. Now could she?! However, you did reward her for her obedience. You made her into a star, you created a brand out of her and all these men desired her.

(activity change)

We eat brand, we drink brand, we sleep brand, we fu…

(clicks tongue; change in activity)

…Heeeee… (sings) Brand brand brand… …Brand text, brand text heyheyheya hey…

(change in narrator and activity)

I have already told you I have a great imagination. Now, Márquez has told us about Eréndira after she was 14 years old, after her father had died and after her grandmother sent away all the servants in her mansion. That is, after misfortune befell her. But what about Eréndira's life when she was a child, before her father died and when the servants were still there in the mansion? If nothing else, she at least had time to think, time to dream. What did she dream about?

(activity)

Did she dream about jumping into a hole and entering a magical world…

(change in narrator)

Ha, look, the Mad Hatter, look, the invisible cat, ohhhh, the Red Queen, ha ha ha ha ha…

(activity)

Humpty Dumpty sat on a wall, Humpty Dumpty had a great fall… (falls)

4 SEQUENCE

Change in the narrator.

NARRATOR The woods are lovely, dark and deep,

But I have promises to keep
And miles to go before I sleep
And miles to go before I sleep

(change in narrator, movement and activity)

I don't have time; I have to go…

This sequence tries to explore Eréndira's childhood through various movements and activities. The languages used are English at the beginning of the sequence and gibberish in the rest of it. It shows how, in her imagination, she befriends a few

characters from fairy tales and plays with them with different properties. A subtle reference to contemporary times is also made in this sequence.

At this point, the tent where she was captive is introduced. However, this time the adolescent Eréndira has a different experience with the net. She feels the first pangs of love and sexual arousal.

5 SEQUENCE

This sequence has a different, older and manipulative Eréndira, who seduces Ulysses successfully and is able to manipulate him to her will. The whole sequence is presented with a flow of floor movements to the accompaniment of music and a poem in Assamese by the famous Assamese poet Nilmani Phookan. This poem is about the physical satisfaction of people.

Nilmani Phookan's poem 'Maithun Sangit', recorded by Indrajit Das, is used here as music.

Playing with the net, symbolic of Ulysses, Eréndira ties it into a ball and continues playing with it. She throws it outside the ring she is in, sits and watches it. Suddenly someone says…

VOICE Eréndira

Activity changes.

6 SEQUENCE

Change in narrator.

NARRATOR Text… text… text… text…

Movement and activity. The Narrator sings:

NARRATOR Amar haat bandhibi pa bandhibi

Mon bandhibi kemone…
Amar chok bandhibi mukh bandhibi
Poran bandhibi ke…mo…ne…

Text… Text… Text… Text… Text… I have a friend with whom I was supposed to go to Agra to see the Taj Mahal.

(activity)

But my friend fell sick and his doctor advised him not to travel. However, my friend insisted that I go on the trip. So I went to Agra, saw the Taj Mahal and came directly back to my friend to tell him about my experiences at the Taj. I was surprised when he told me, “I have already seen the Taj.” “What?!… how… how??” My friend said, “In my imagination!” “But I saw it in reality. I touched it.” To that my friend said, “Won’t you listen to my experience?” “Okay” (nonchalantly).

(activity)

“One fine morning I leapt to Agra and saw the white Taj Mahal against an orange background. Later, I flew to the top of the Taj and saw it from a bird’s-eye view. In the afternoon I flew to the Yamuna and watched it from there. And in the evening I flew back to the Taj and enjoyed its pristine beauty on a full-moon night.” I was mesmerised. “You had a much better experience than me, my friend.”

(activity)

“So tell me, whose reality is better, yours or mine?”

(change in narrator)

Reality, my friends, is a strange thing. It means different things to different people at different times.

(change in movement)

The reality of our pockets at the end of the month…

(activity)

…the reality of our pockets at the beginning of the month…

(activity… laughs; change in narrator, her movement and activity)

Now, Eréndira’s reality was very different from that of Ulysses.

(activity)

Ulysses had the privilege of enjoying the ecstasy, rebellion and magic of love. That is why, when he touched those glasses, they changed colour and his Indigenous mother knew that her only child had fallen in love. And

when he left home, unlike his father, she knew he was never coming back home.

(change in narrator and her movements)

Meanwhile, what happened to Eréndira? Eréndira had run away with Ulysses, but was caught, brought back and tied to her bed with a dog chain. She went back to her earlier profession. (activity) She had worked really hard and her fame spread far and wide, so much so that she snatched away all the customers of a red-light area in a nearby town. The members of that red-light area were so angry with Eréndira that they kidnapped her with her bed in broad daylight, right from under the nose of her grandmother, and placed her in the main square of their town.

(activity)

Eréndira, naked under the scorching desert sun, was trying to hide her shame. That night, out of sheer anger, frustration and desperation, she whispered, "Ulysses".

(change in narrator and her activity)

Hundreds of miles away, Ulysses heard her and rushed to her. Now Eréndira starts manipulating Ulysses to kill her grandmother. Ulysses too comes to the decision that to save Eréndira he has to kill the grandmother. First he tries to poison her, but is unsuccessful.

(activity)

Next he tries to blast her with explosives. Except for a few scratches, he was not able to harm her.

(activity)

The third time he takes a big knife and plunges it deep into the grandmother. The grandmother didn't die of a single cut; he had to cut her several times. There ensued a violent struggle between Ulysses and the grandmother… …done!… …finally the grandmother died. Eréndira was watching everything from afar. The moment the grandmother fell down dead…

(activity)

…she rushed to her, grabbed her earnings from her grandmother's bosom and ran. She ran and ran and ran, not waiting anywhere, nor for anyone, not even for Ulysses.

(activity)

Eréndira disappeared.

(change in movement and activity)

The framework of Eréndira's story, the description and development of the characters, the use of elements like cruelty and bloodshed, and the juxtaposition of reality and fantasy make it similar to the fairy tales, especially the Grimm's fairy tales, according to a scholar from the University of Utah, Joel Hancock.

(change in narrator and activity)

Cinderella, Rapunzel, Sleeping Beauty, Tejimola…

(change in activity)

…land… water… land… water… water… (laughs at herself) …Ring a ring a roses, a pocket full of posies, atishoo, atishoo, we all fall down.

(change in activity)

All these rhymes, games and fairy tales with so much violence and negative elements… are they good for our children? Or are they a way of preparing our children for a difficult and hard reality… …What was Márquez's reality? Why did he use so many magical and fantastical elements to say something that is so simple and universal? Something that is happening in every place in this world.

(change in movement)

Did he use these magical and fantastical elements to make the real seem even more real, or did he use these elements to make the real seem illusionary? …magic…, dreams…, reality…, illusion… I am confused now!

(movement of the Narrator)

La… Lalala… lalalalala… LA… LA… LA… LA… LA… LA…

(change in narrator and her movement)

…We use our body for two purposes. We play with it or use it to gain something… Money?!… Power?! Since ancient times both men and women have used the female body to gain something… …achieve something… money?!… power!? Power is strong, this is because… it produces effects at the level of desire, and also at the level of knowledge… Michel Foucault.

(change in activity)

Márquez killed the grandmother through Ulysses, but I would like to change the climax…

Activity. Eréndira takes the grandmother to the bathtub and kills her.

…self-help is the best help.

(change in narrator and her activity)

Text… Text… Text… Text… Text… Text…

After killing the grandmother, what happened to Eréndira?… … Text… Text… Text… Text… Text… When you have used the body to its last extent, the fire doesn't ignite here…

(activity)

…it ignites here!

(activity)

Okay, I am done for the day. I bid you adieu! (activity)

VOICE Excuse me!

NARRATOR Yes?

VOICE What about Ulysses?

NARRATOR That is a different story altogether, my dear. Or you can use your… (gesture)

VOICE Imagination?

NARRATOR Yes!

(movement of the Narrator, then change)

Text… Text… Text… Text… Text… If this was not what happened to Eréndira, then what happened to her?

(change and rapid movement)

After she killed her grandmother, while she was running away from the police, the military, the Government, the system, suppose she suddenly comes face to face with Senator Sánchez…

Activity. Eréndira plays hide and seek in the shadows and lights. At one point she disappears, and the music slowly grows louder. Slowly the light fades out.

THE END

জালৰ সৈতে অভিনেত্ৰী; নাটকত জালখন ইউলিছিছৰ প্ৰতীক।

The performer with the net, the play’s sign for Ulysses.

PHOTOGRAPH · AANK_A CREATIVE LINE

PART TWO

এৰেণ্ডিৰাচ মেটামৰ্ফচিচ

অসমীয়া অনুবাদ

লেখকৰ নিজৰ অনুবাদ



THE ASSAMESE TRANSLATION

এৰেণ্ডিৰাচ মেটামৰ্ফচিচ

মৃণাল জ্যোতি গোস্বামীৰ নাটক, সহ-লেখিকা নম্ৰতা শৰ্মা · অসমীয়া অনুবাদ: মৃণাল জ্যোতি গোস্বামী

২০২২ চনৰ ২৬ জুনত গুৱাহাটীৰ উজান বজাৰৰ নাওজান পথত অৱস্থিত উদাৰাত আঁক_এ ক্ৰিয়েটিভ লাইনে নাটকখন প্ৰথমবাৰৰ বাবে মঞ্চস্থ কৰে।

মঞ্চত

নম্ৰতা শৰ্মা, মৃণাল জ্যোতি গোস্বামী

পৰিকল্পনা, ডিজাইন আৰু পৰিচালনা

মৃণাল জ্যোতি গোস্বামী

সংগীত পৰিকল্পনা

তৰালী শৰ্মা

চৰিত্ৰ

কথক

মেটা-কথক; সময়ে সময়ে তায়েই এৰেণ্ডিৰা হৈ পৰে

এৰেণ্ডিৰা

কথকে অভিনয় কৰে

পুতলা

এটা চোৰ; কথকে ৰূপায়ণ কৰে

কণ্ঠ

অদৃশ্য

আইতা

এটা চকু, লুকাই থকা এটা ৰূপালী বল

ইউলিছিছ

শাৰীৰ শেষৰ মুখা; পিছত এখন জাল

১ প্ৰথম দৃশ্য

লাহে লাহে মঞ্চখন পোহৰ হৈ আহে। বাওঁফালৰ পৰা এটা ৰূপালী গোলাকাৰ বস্তু মঞ্চত উফৰি উঠে। কথকগৰাকীয়ে তাইৰ গাড়ীখন লৈ লৰালৰিকৈ সোমাই আহে। তাই গাড়ীখন ৰখাই পিছলৈ ঘূৰি হাত জোকাৰি বস্তুটো বিচাৰি ফুৰে।

কথক: Teeeeeeext... টেক্সট... টেক্সট... টেক্সট...

তাই বস্তুটো বিচাৰি পায় আৰু উল্লাসিত হৈ বস্তুটোৰ সৈতে খেলিবলৈ আৰম্ভ কৰে।

টেক্সট... টেক্সট... টেক্সট...

তাই ঘূৰি গৈ গাড়ীখনৰ ওপৰত বস্তুটো থৈ যাবলৈ ওলোৱাৰ লগে লগে পিছলৈ ঘূৰি হাত জোকাৰি দিয়ে। একচন সলনি হয়, তাই হঠাতে পেটৰ বাওঁফালে খামুচি ধৰে।

আহ! ...লা

বিষত তাই নিজৰ গাড়ীৰ ফালে উজুটি খাই 'লাউ-খোলা' এখনৰ পৰা ৰঙা কাপোৰ এখন উলিয়াই আনে, বিষত আঁঠু কাঢ়ি ৰঙা কাপোৰখন কঁকালত বান্ধি লয়। একচন সলনি হয়।

আহা... হা... আহা... হা... হা... হা... হুমমম... টেক্সট..., টেক্সট... টেক্সট... চুহঃ... টেক্সট... টেক্সট... টেক্সট... (একচন) হাঃ হাঃ... টেক্সট ঐ...

তাই বমি কৰে আৰু মজিয়াত বমিত কিবা এটা পঢ়ে...

এৰেণ্ডিৰা! টেক্সট...

তাই ওপৰলৈ চাই দৰ্শকক দেখি লাজ পায় আৰু ইতস্ততঃ বোধ কৰি কি কৰিম-নকৰিম ভাব দেখুৱায়।

নমস্কাৰ (দুৰ্বলভাৱে)

একচনৰ পৰিৱৰ্তন।

টেক্সট... টেক্সট... টেক্সট... টেক্সট... টেক্সট...

ফুচফুচাই কোৱাৰ পৰা আৰম্ভ কৰি ক্ৰমান্বয়ে বাঢ়ি যায়

টেক্সট... টেক্সট... টেক্সট... টেক্সট... টেক্সট...

তাইৰ গাড়ীত কিবা এটা বিচাৰি থাকে

টেক্সট... টেক্সট... টেক্সট... টেক্সট... টেক্সট... টেক্সট...

একচন

Come to mama

সুখী হৈ তাই দৰ্শকৰ ফালে ঘূৰি...

মই এজন কথক... I am a narrator, হয়! নাই, নাই, নাই, নাই, নাই... মই কথকৰ সমষ্টিহে... সঁচাকৈয়ে! টেক্সট... মই এজন মেটা নেৰেটৰ...

একচনৰ পৰিৱৰ্তন

...নহয়... নহয়... মই মেটা নেৰেটৰৰ সমষ্টি... হয়! মেটা নেৰেটৰৰ সমষ্টি। কিন্তু এই টেক্সটবোৰক মই বেয়া পাওঁ।... ...মই কথকতা পৰম্পৰাকো বেয়া পাওঁ!

একচনৰ পৰিৱৰ্তন

মই যুগ যুগ ধৰি কথক হৈ আহিছোঁ... ...গুহাবাসী হিচাপে, হোমাৰ হিচাপে, শ্বেক্সপীয়েৰ হিচাপে, বেদব্যাস হিচাপে, শংকৰদেৱ হিচাপে, পিনশ্বুক পৰিৱেশক হিচাপে, হানাশিকা হিচাপে, জেমছ জয়ছ হিচাপে... জেমছ জয়ছ... টেক্সট... টেক্সট... টেক্সট... টেক্সট... টেক্সট... জেমছ জয়ছ... অ' আপুনি জানেনে... ...জেমছ জয়ছে তেওঁৰ 'ইউলিছিছ' আৰু টি. এছ. ইলিয়টে তেওঁৰ 'দ্য ৱেষ্ট লেণ্ড' প্ৰকাশ কৰাৰ ১০০ বছৰ হ'ল। এই দুয়োখন গ্ৰন্থই বিশ্বসাহিত্যৰ কথকতা পৰম্পৰাকেই সলনি কৰি দিছিল।

একচনৰ পৰিৱৰ্তন

ইউলিছিছ! এৰেণ্ডিৰাৰ প্ৰেমিক, তাইৰ ত্ৰাণকৰ্তা।

একচনৰ পৰিৱৰ্তন

ইউলিছিছ সেইদিনা নিশ্চয় আচৰিত হৈছিল... ...বহু বছৰৰ যুদ্ধৰ অন্তত, তেওঁ যেতিয়া ঘৰলৈ উভতি আহিছিল আৰু তেওঁৰ ঘৰৰ সন্মুখত পত্নীৰ প্ৰণয়প্ৰাৰ্থী হিচাপে শাৰী পাতি থিয় হৈ থকাসকলক দেখিছিল। সেইদিনা... ...হোমাৰৰ ইউলিছিছৰ নিশ্চয় বিৰাট খং উঠিছিল!... মোৰো খং উঠিছে...

একচনৰ পৰিৱৰ্তন

মই কথক হিচাপে ইমান দিনে কৈয়েই আহিছোঁ... স্নোইগমেন হিচাপে, অকুণ্টা হিচাপে, বেকেট হিচাপে, মাৰ্কেজ হিচাপে... ...আৰু যে কিমান দীঘল পৰিক্ৰমা... ...মই বৰ ভাগৰুৱা হৈ পৰিছোঁ অ'...

একচনৰ পৰিৱৰ্তন

টেক্সট... টেক্সট... টেক্সট... টেক্সট... টেক্সট...

একচনৰ পৰিৱৰ্তন

মই এই টেক্সটবোৰ জ্বলাই দিব বিচাৰোঁ।

একচনৰ পৰিৱৰ্তন

...কিন্তু মোৰ শৰীৰৰ জুইকুৰা কেনেকৈ নুমুৰাম...

একচনৰ পৰিৱৰ্তন

...হুহ... টেক্সট ঐ...! মই এই টেক্সটসমূহ মোৰ ভিতৰত আবদ্ধ কৰি ৰাখিবলৈ চেষ্টা কৰোঁ, কিন্তু ইহঁতে মোক শান্তিৰে থাকিবলৈ নিদিয়ে... ...ওৰক... আজি আজি এৰেণ্ডিৰা... গেব্ৰিয়েল গাৰ্চিয়া মাৰ্কেজ ৰচিত ‘ইনক্ৰিডিবল এণ্ড চেড টেল অৱ ইনোচেণ্ট এৰেণ্ডিৰা এণ্ড হাৰ হাৰ্টলেছ গ্ৰেণ্ডমাদাৰ’।

টেক্সট... টেক্সট... টেক্সট... টেক্সট... টেক্সট... মই এজন শ্ৰেষ্ঠ কথক, কাৰণ মই এজন অতি ভাল শ্ৰোতা... মই এজন অতি ভাল শ্ৰোতা, কাৰণ মোৰ কল্পনাশক্তি ব্যাপক...

একচনৰ পৰিৱৰ্তন

এতিয়া আপোনালোকলৈও কল্পনাশক্তিৰ ব্যাপকতা সিঁচৰতি কৰি দিলোঁ... গতিকে, কওকচোন আপোনালোকে কি কল্পনা কৰি আছে... কওকচোন... আপোনাৰ সপোনবোৰ কওকচোন... নাইবা, আপুনি কল্পনা কৰিব পাৰে যে, আপুনি আপোনাৰ আইতাৰাক হত্যা কৰিব বিচাৰে...

গাড়ীখনৰ ওপৰত থকা ৰূপালী গোলাকাৰ বস্তুটো তুলি লয়।

আপোনাক অতিকে ভালপোৱা আৰু ৰক্ষা কৰা মৰমিয়াল বুঢ়ীজনী। তেখেতক হত্যা কৰাৰ কথা কল্পনা কৰাটো বৰ কঠিন নহয়নে!...

বলটোৰ ওপৰত থকা ৰূপালী আচ্ছাদন আঁতৰাই দিয়ে। চকু এটা ওলাই আহে।

এৰেণ্ডিৰাও যেন তাইৰ আইতাকক বৰ ভাল পাইছিল...

মজিয়াত পৰি তাই ওপৰলৈ উঠা ভৰি দুখনৰ ওপৰত চকুটো ৰাখে।

সেইবাবেই তাই আইতাকে কোৱা সকলো কামেই কৰিছিল। যদি তাইৰ আইতাই কয় “এৰেণ্ডিৰা, থিয় হ!” “হয় আইতা।”

একচনৰ পৰিৱৰ্তন

“এৰেণ্ডিৰা, বহ!” “হয় আইতা।”

হাতেৰে মূৰৰ ওপৰত চকুটো তুলি থিয় হয়।

“এৰেণ্ডিৰা, উঠ!” “হয় আইতা।”

সোঁহাতত চকুটো লৈ সোঁফালে যায়।

“এৰেণ্ডিৰা, বাওঁফালে যা!” “হয় আইতা।”

বাওঁহাতত চকু লৈ বাওঁফালে যায়।

"এৰেণ্ডিৰা, সোঁফালে!" "হয় আইতা।"

বাওঁহাতৰ তলত চকু লৈ গাড়ীৰ ফালে গৈ গাড়ীৰ পিছফালে থিয় হয়।

Left right left... kadam tham check 1, 2. টেক্সট... টেক্সট... টেক্সট... টেক্সট... আহ!

একচনৰ পৰিৱৰ্তন

আইতাকেও যেন এৰেণ্ডিৰাক বেছি ভাল পাইছিল।

একচনৰ পৰিৱৰ্তন

Left right left... Left right left... সেইবাবেই তেখেতে এৰেণ্ডিৰাৰ চাৰিওফালে এই কাৰ্নিভেলৰ দৰে পৰিৱেশৰ সৃষ্টি কৰিছিল।

একচনৰ পৰিৱৰ্তন, মুখা পিন্ধে।

কাৰ্নিভেল! টেক্সট... টেক্সট... টেক্সট... টেক্সট... টেক্সট...

দৰ্শকক সম্বোধন কৰি

কাৰ্নিভেল মানে কি জানেনে? কাৰ্নিভেল হ'ল...

হাতখনেৰে মুখখন বন্ধ কৰিবলৈ যত্ন কৰে। এপাকত ৰৈ কয়...

...বাখতিন পঢ়ক!... Read Bakhtin... টেক্সট... টেক্সট... টেক্সট... টেক্সট... টেক্সট...

গাড়ীৰ ওপৰত থকা চকুটোলৈ চাই তালৈ আঙুলিয়াই দিয়ে।

সেয়া... সেয়া চাওক! আইতাকে তেখেতৰ কাৰ্নিভেলত সংগীত বজোৱা ৱাল্টজ মিউজিচিয়ানসকলৰ পৰা টকা লৈছে...

ৱাল্টজ নৃত্য কৰে। কাৰোবাক দেখি ফটোৰ বাবে প'জ দিয়ে।

সেয়া... তেখেতে কাৰ্নিভেলৰ ফটোগ্ৰাফাৰসকলৰ পৰাও টকা গ্ৰহণ কৰি আছে...

ভাগৰুৱা মানুহৰ দৰে খোজ কাঢ়ি আইতাকৰ কাষলৈ যায় আৰু পকেটৰ পৰা কিবা উলিয়াই দান কৰে...

তেখেতে নিজৰ দাসসকলৰ পৰাও ধন কাঢ়িছে... ...অৱশ্যেই তেখেতে এৰেণ্ডিৰাক পাব বিচৰা সকলো মানুহৰ পৰাই ধন গ্ৰহণ কৰে।

লাহে লাহে আপ-ষ্টেজ ৰাইট ফালে আগবাঢ়ি যায়। কথকগৰাকীয়ে তাইৰ পিছফালে কোনোবা এজনক দেখি আচৰিত হৈ বাওঁফালেদি তেওঁৰ পিছে পিছে ওলাই যায়।

ওহহহ! তাক দেখিলে নেকি? সি কোন? কোন সি? চোৰ যেন লাগিল! ওহহহ! সি চোৰ! তাত সি টকা হিচাপ কৰি আছে। চাওঁ তাৰ পিছে পিছে যাওঁ!

দৰ্শকৰ ফালে চাই ওলাই যায়। উইংচৰ কাষত এটা পুতলা দেখা পোৱা যায়। পুতলাটোৰ পিছে পিছে কথকগৰাকীও ওলাই আহে।

কথক: হেৰা!

পুতলাটো আচৰিত হৈ ডাউন-ষ্টেজ বাওঁফালে আগবাঢ়ি যায়। কথকে অনুসৰণ কৰে।

পুতলা: আ...

কথক: ইয়াত কি কৰি আছ?

পুতলাটোৱে কথকগৰাকীক দম দিব বিচাৰে।

পুতলা: হুমমমমম... (খং কৰিবলৈ চেষ্টা কৰি)

কথকগৰাকীয়ে উলোটাই পুতলাটোক দম দিয়ে।

কথক: হুমমমম...! তই এটা চোৰ! নহয়নে? কি চুৰ কৰিলি?

পুতলাটোৱে ওঁঠ মোচাৰি কিবা বেলেগ ক'বলৈ ধৰে।

পুতলা: উম... উম... উম... উম... ইউলিছিছ! চোৰাং ব্যৱসায়ীৰ পুত্ৰ, যাৰ দেউতাকে যাদুকৰী কমলাৰ খেতি কৰে। কমলাটোৰ ভিতৰত হীৰা থাকে। কিন্তু আজি মই মাত্ৰ তাৰ পকেটত এই কেইটা টকাহে পালোঁ... হুকঃ হুকঃ হুকঃ... (কন্দাৰ অভিনয়)

কথক: ঠিক আছে! এই ইউলিছিছ ক'ত?

পুতলাটোৱে শাৰীটোৰ শেষৰ ফালে ইংগিত কৰে।

পুতলা: সেইয়া... ...শাৰীৰ শেষৰজন।

কথকে ইউলিছিছৰ ফালে যাব বিচাৰে।

কথক: মই তাক তোৰ কথা ক'ম নে?

পুতলাটোৱে কথকগৰাকীক হাতেৰে ইউলিছিছৰ ফালে যোৱাত বাধা দিয়ে।

পুতলা: নাই!!!... আৰে য়াৰ... ঠিক আছে... এৰেণ্ডিৰাৰ বিষয়ে বৰ আকৰ্ষণীয় কথা এটা কওঁনে?

কথক: ঠিক আছে ক'!

পুতলা: উম... উম... উম... উম... ইয়াৰ সকলোবোৰ মাৰ্কেটিঙৰ কথা!

কথক: মাৰ্কেটিং?! আৰে এৰেণ্ডিৰাৰ বিষয়ে ক...

পুতলা: অস! উম... উম... উম... বেয়া নহয়... ওহহো! যাব লাগিব বন্ধু। দেৰি হৈছে... ঠিক আছে... বাই বাই...

বাওঁফালে পুতলাটো বাহিৰলৈ ওলাই যায়, তাৰ পিছত কথকগৰাকী।

কথক: অই!... ৰহ!... ক'লৈ যাৰ?... ...আহা... আঃ... হাঃ... ৰহচোন...

পুতলাটোক বিচাৰি নাপাই কথকগৰাকী নিজে মঞ্চলৈ সোমাই আহে। লাহে লাহে মঞ্চৰ মাজত থকা তম্বুটোৰ কাষলৈ যায়।

মাৰ্কেটিং? বিপণন! ইয়াৰ সকলোবোৰ মাৰ্কেটিঙৰ কথা!

কথকগৰাকীয়ে তাই পিন্ধি থকা মুখাখন গাড়ীৰ ফালে পেলাই দি কঁকালত বান্ধি থোৱা ৰঙা কাপোৰৰ টুকুৰাটো খুলি তম্বুৰ ফালে মুখ কৰি বহি তম্বুটোত সোমাই যায়।

২ দ্বিতীয় দৃশ্য

দ্বিতীয়টো দৃশ্যত আইতাকৰ কাৰ্নিভেলত তম্বুৰ ভিতৰত থকা এৰেণ্ডিৰাই গ্ৰাহকসকলক কেনেদৰে সন্তুষ্ট কৰি থাকে, সেয়া শাৰীৰিক ভংগীমাৰে প্ৰদৰ্শন কৰা হয়। তাইৰ তম্বুৰ ঠিক বাহিৰত বহি থকা আইতাকে তাইৰ ওচৰলৈ অধিক গ্ৰাহক পঠিয়াই থাকে। এৰেণ্ডিৰা ইমানেই ব্যস্ত হৈ থাকে যে তাই বিচনাৰ পৰা উঠিবলৈও সময় নাপায়। শেষত ক্লান্ত হৈ তাই জিবৰিচ ভাষাত সোধে, "আৰু কিমান?"

এই দৃশ্যটোত শাৰীৰিক ভংগীমাৰে এৰেণ্ডিৰাৰ সংগ্ৰাম দেখুওৱা হৈছে।

৩ তৃতীয় দৃশ্য

তৃতীয় দৃশ্যত এৰেণ্ডিৰা ক্লান্ত হৈ তম্বুৰ ভিতৰত পৰি থকা দেখা যায়। কিন্তু এতিয়া তাই কথকলৈ সলনি হৈ প্ৰতিমা বৰুৱা পাণ্ডেৰ গোৱালপৰীয়া লোকগীত এটি (দিনে দিনে খচিয়া পৰিবে...) গুণগুণাবলৈ আৰম্ভ কৰি তম্বুৰ পৰা ওলাই আহে। ৰঙা কাপোৰৰ টুকুৰাটো কঁকালত বান্ধি লৈ গোৱা আৰম্ভ কৰে:

কথক: বান্ধিচেন ঘোৰ মিচা

মিচা দ্বন্দ্ব বাজে গোসাইজী কোন ৰংগে,
দিনে দিনে খচিয়া পৰিবে ৰঙিলা দালানেৰ মাটি,
গোসাইজী কোন ৰংগে!

একচন সলনি কৰি

টেক্সট... টেক্সট... টেক্সট... টেক্সট... টেক্সট... টেক্সট... টেক্সট... এৰেণ্ডিৰাই আইতাকৰ বাবে মাত্ৰ সেইটোৱেই কাম কৰা নাছিল। (একচন সলনি) আইতাকৰ ঘৰ জ্বলাই দিয়াৰ আগতে তাই আছিল আইতাকৰ কাপোৰ ধোৱা বাই, ঘৰ চাফাই কৰা বাই, ৰান্ধনী, আইতাকৰ গা ধোৱাৰ

বাই, চুলিৰ ষ্টাইলিষ্ট, আইতাকৰ পোহনীয়া জন্তুৰ যত্ন লোৱা ছোৱালী... ...ইত্যাদি ইত্যাদি ইত্যাদি... আনকি তাই আইতাকৰ ঘৰৰ সকলো ঘড়ীত চাবি দিবলগীয়া হৈছিল। আৰু সেই বিশাল অট্টালিকাত থকা ঘড়ীবোৰত চাবি দিবলৈ তাইক প্ৰায় ৬ ঘণ্টা সময় লাগিছিল।

একচনৰ পৰিৱৰ্তন

বেছিভাগ সময়তে তাই টোপনিয়াই টোপনিয়াই ঘৰৰ কামবোৰ কৰিছিল।

একচনৰ পৰিৱৰ্তন

টেক্সট... টেক্সট... টেক্সট... টেক্সট... টেক্সট... টিক্-টক্, টিক্-টক্... মোৰো এটা ঘড়ী আছে, টিক্-টক্, টিক্-টক্ মোৰ এটা ঘড়ী আছে, টিক্-টক্, টিক্-টক্ মোৰো এটা ঘড়ী আছে... ...এটা গলি যোৱা ঘড়ী! (একচন) ছালভাদৰ ডালি...

একচনৰ পৰিৱৰ্তন, বেলেগ ঠাইলৈ গৈ

